# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনৰ আপাহতে বিশ্বৰ কেইবাখনো দেশৰ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

২। কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত আজি উমৈহতীয়া পৰিকল্পনাৰ ৰূপৰেখাৰে সৈতে নেতাসকলৰ ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব।

৪। ভাৰত আৰু ছুইডেনে সেউজ প্ৰযুক্তি, গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে।

*আৰু*

৫। কৰ্ণাটকে ১১ বছৰৰ মূৰত ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনৰ আপাহতে বিশ্বৰ কেইবাখনো দেশৰ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। শ্ৰীমোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাঁক্ৰ, আবু ধাবিৰ যুৱৰাজ শ্বেইখ খালিদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান, নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক্ স্কুফ, ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গি প'হমেলো আৰু গ্ৰীচৰ প্ৰধানমন্ত্ৰী কিৰিয়াকোছ মিস্তোটাকিছক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু আবু ধাবিৰ যুৱৰাজে বিভিন্ন ক্ষেত্ৰত লাভ কৰা প্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ভাৰত আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ মাজৰ ঐতিহাসিক সম্পৰ্কৰ কথা স্মৰণ কৰি নেতা দুগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উপায় সম্পৰ্কে আলোচনা কৰে। দুয়ো পক্ষই পৰম্পৰাগত আৰু নতুন ক্ষেত্ৰসমূহত দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা উদ্যমসমূহৰ প্ৰতি আদৰণি জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডছৰ প্ৰধানমন্ত্ৰী ডিক স্কুফৰ সৈতে অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ উপযোগিতাৰ বিষয়ে আলোচনা কৰে। ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্যৰ চুক্তিৰ বাবে হোৱা আলোচনা সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীদ্বয়ে চুক্তিখন শীঘ্ৰে ৰূপায়ণ কৰাৰ বাবে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। তেওঁলোকে লগতে সন্ত্ৰাসবাদ বিৰোধী গোলকীয় যুঁজখন শক্তিশালী কৰি তুলিবলৈও সংকল্প লয়। শ্ৰীমোদী আৰু ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গি প'হমেলোই বাণিজ্য, বিনিয়োগ আৰু প্ৰযুক্তিকে ধৰি

অৰ্থনৈতিক ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা উদ্ভাৱণৰ ক্ষেত্ৰত ভৱিষ্যতমুখী সহযোগিতাৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু গ্ৰীচৰ প্ৰধানমন্ত্ৰী কিৰিয়াকোছ মিস্তোটাকিছে বিশেষকৈ ব্যৱসায়, বাণিজ্য, প্ৰতিৰক্ষা, সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা আৰু নিত্য নতুন প্ৰযুক্তিকে ধৰি ভাৰত আৰু গ্ৰীচৰ মাজৰ কৌশলগত সহযোগিতাৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। শ্ৰীমোদীয়ে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে শ্ৰীমিস্তোটাকিছক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনৰ আজি পঞ্চম দিনা গোলকীয় কৃত্ৰিম বুদ্ধিমত্তা প্ৰশাসন আৰু সহযোগিতাৰ প্ৰতি সমূহীয়া প্ৰতিশ্ৰুতিবদ্ধতা নিশ্চিত কৰি উমৈহতীয়া পৰিকল্পনাৰ ৰূপৰেখাৰে সৈতে নেতাসকলৰ ঘোষণা পত্ৰ গ্ৰহণ কৰা হ'ব। সন্মিলনত আজি কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক গোলকীয় সহযোগিতা মঞ্চ জি পি এ আই পৰিষদৰ বৈঠকো অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি সদস্য ৰাষ্ট্ৰসমূহে দায়িত্বশীল আৰু সৰ্বাত্মক কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত বহুপাক্ষিক সহযোগিতাৰ সুদৃঢ় কৰাৰ অগ্ৰধিকাৰ অনুযায়ী এই ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আনুষ্ঠানিকভাৱে এই সন্মিলন মুকলি কৰে আৰু বিশ্বনেতাসকলক আদৰণী জনায়। সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা ক্ষেত্ৰৰ ৫০০ গৰাকীতকৈ অধিক কাণ্ডাৰীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে ভিতৰত শতাধিক প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়া, ডেৰশৰো অধিক শিক্ষাবিদ আৰু গৱেষক আৰু প্ৰায় ৪০০ গৰাকী মুখ্য কাৰিকৰী বিষয়া আছে। প্ৰদৰ্শনকাৰী, উদ্ভাৱণকাৰী আৰু দৰ্শকৰ বিপুল সঁহাৰিলৈ চাই কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলন কাইলৈও খোলা ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ উপৰি ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য অনুযায়ী নিৰাপদ সীমান্তৱৰ্তী সম্প্ৰদায়ৰ অৱধাৰণাৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ ১৫ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ সংপৃক্তি আধাৰিত আৰু অভিসৰণ চালিত দৃষ্টিভংগীৰে ৰূপায়ণ কৰা হ'ব। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰিব আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু বৰাক উপত্যকাত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যাব আৰু সন্ধিয়া অসমলৈ উভতি আহিব। শ্ৰীশ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত আকৰ্ষণীয় কুচ-কাৱাজৰ লগতে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত অভ্যন্তৰীন সুৰক্ষাৰ ক্ষেত্ৰত বাহিনীটোৰ সফলতা বিষয়েও আলোকপাত কৰা হ'ব। শ্ৰীশ্বাহে লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নতুন দিল্লীত কালি ৰাষ্ট্ৰসমূহৰ অপেন এ আইৰ মুৰব্বী জৰ্জ অছবৰ্ণ, অপেন AIৰ গোলকীয় পৰিক্ৰমা বিষয়া ক্ৰিছ্ লেহানে আৰু অপেন AIৰ ভাৰত কৌশল তথা গোলকীয় পৰিক্ৰমা মুৰব্বী প্ৰজ্ঞা মিশ্ৰৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই বৈঠকত কৃত্ৰিম বুদ্ধিমত্তাৰ উদীয়মান উন্নয়ন, ইয়াৰ প্ৰয়োগ আৰু ভাৰতত AIৰ পটভূমিৰ দ্ৰুত সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

ভাৰত আৰু ছুইডেনে সেউজ প্ৰযুক্তি, গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিবলৈ আৰু ভাৰত ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ পৰিকাঠামোৰ অধীনত সম্পৰ্ক আগুৱাই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি ছুইডেনৰ উপ প্ৰধানমন্ত্ৰী এব্বা বুছৰ সৈতে অনুষ্ঠিত বৈঠকত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে বিশাল বজাৰ আৰু বিনিয়োগকাৰীৰ বাবে অনুকূল প্ৰত্যক্ষ বিদেশী বিনিয়োগ ব্যৱস্থাৰে বিশ্বৰ অন্যতম বিনিয়োগথলী হিচাপে ভাৰতৰ উত্থানৰ বিষয়ে আলোকপাত কৰে। শ্ৰীগোৱেলে কয়, যে ভাৰতৰ দক্ষ যুৱ শক্তি আৰু ছুইডেনৰ উদ্ভাৱণ শক্তিয়ে দেশ দুখনক বহনক্ষম উন্নয়নৰ স্বাভাৱিক সহযোগী কৰি তোলে। শ্ৰীগোৱেলে লগতে ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটেৰী অ'ৰ্পোকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-ইউৰোপীয় সংঘ বাণিজ্য চুক্তি, প্ৰযুক্তি আৰু সেউজ শক্তিসহ ঘাই ঘাই ক্ষেত্ৰসমূহত সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ে আলোচনা কৰে।

০০০০০

দক্ষিণ কোৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰপতি য়ুন ছুক ইয়নক তেওঁৰ কাৰ্যকালৰ সময়ত সামৰিক শাসন জাপি দিয়াৰ অভিযোগত যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে। ন্যায়াধীশগৰাকীয়ে কয়, যে ইউন ছুকক বিদ্ৰোহৰ নেতৃত্ব দিয়া আৰু সামৰিক আইন বলপূৰ্বকভাৱে জাপি দিয়াৰ অভিযোগত দোষী সাব্যস্ত কৰা হৈছে। ২০২৪ চনৰ ডিচেম্বৰ মাহত দক্ষিণ কোৰিয়াৰ তেতিয়াৰ ৰাষ্ট্ৰপতি ইউন ছুকে নিজৰ নেতৃত্ব পুনৰ দৃঢ় কৰিবলৈ সামৰিক শাসন জাপি দিয়াৰ চেষ্টা কৰিছিল যদিও তেওঁৰ আদেশ মাত্ৰ ছঘণ্টাহে চলিছিল। ২০২৪ চনৰ ৩ ডিচেম্বৰত সামৰিক আইন ঘোষণা কৰি ৰাষ্ট্ৰপতি ছুকক কাৰ্যভাৰৰ পৰা উৎখাত কৰা হৈছিল।

০০০০০

ছত্তিশগড়ৰ সংবাদ মাধ্যমৰ এটা প্ৰতিনিধি দলে কালি ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ অধীনত পূব ছিক্কিমৰ ২০০ অধিক জনসংখ্যা থকা থেগু গাঁও পৰিদৰ্শন কৰে। ভাৰত-তিব্বত সীমান্ত আৰক্ষী বিষয়াসকলে সাংবাদিকসকলক ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ অধীনত চলি বিভিন্ন কাম-কাজ উন্নয়নৰ বিষয়ে অৱগত কৰে। প্ৰতিনিধি দলটোৱে আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙক সাক্ষাৎ কৰিব।

০০০০০

ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই ম্যানমাৰৰ পৰা ভাৰতীয় আৰু বিদেশী এজেণ্টৰ দ্বাৰা পৰিচালিত মানৱ সৰবৰাহ আৰু চাইবাৰ জালিয়াতিৰ সৈতে জড়িত ৩ জন লোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে। সংস্থাই জনোৱা অনুসৰি অভিযুক্ত কেইজনৰ ভিতৰত এজন পলাতক সন্দেহযুক্ত চীনা নাগৰিকো আছে। এই তিনিওজন লোকেই তেওঁলোকৰ সহযোগীৰ সৈতে ম্যানমাৰৰ ম্যায়াড়ী অঞ্চললৈ অসহায় ভাৰতীয় যুৱক-যুৱতী সৰবৰাহৰ সৈতে জড়িত আছিল বুলি ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাটোৱে জানিবলৈ দিছে।

০০০০০

কৰ্ণাটকে ১১ বছৰৰ মূৰত ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্ণৌত কৰ্ণাটক আৰু উত্তৰাখণ্ডৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেল কালি অমীমাংসিতভাৱে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত লাভ কৰা অগ্ৰগতিৰ ভিত্তিত কৰ্ণাটকে ফাইনেলত স্থান লাভ কৰে। উল্লেখযোগ্য যে, কৰ্ণাটকে প্ৰথম ইনিংছত ৭৩৬ ৰান কৰাৰ বিপৰীতে উত্তৰাখণ্ডই ২৩৩ ৰানতে প্ৰথম ইনিংছ সামৰিছিল। কৰ্ণাটকে দ্বিতীয় ইনিংছত ৩২৩ ৰান কৰে। উত্তৰাখণ্ডই কালি খেলৰ পঞ্চম তথা অন্তিম দিনা ৬ উইকেটৰ বিনিময়ত ২৬০ ৰান সংগ্ৰহ কৰে। কৰ্ণাটকৰ হৈ প্ৰথম ইনিংছত দ্বিশতক অৰ্জন কৰা দেৱদত্ত পদিক্কলক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়। কৰ্ণাটক অহা ২৪ ফেব্ৰুৱাৰীত হুবলী ক্ৰিকেট গ্ৰাউণ্ডত হ'বলগীয়া ফাইনেলত জম্মু-কাশ্মীৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**